*Total number of pages – 8*

**CODE : 35T ADAS**

# 2025

## ADVANCE ASSAMESE

**( NEW COURSE )**

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | | | |
|---|---|---|---|
| *Q. No.* ***1*** *carries* ***1*** *mark each* ........................ | 1×3 | = | 3 |
| *Q. No.* ***2*** *carries* ***4*** *marks each* ........................ | 4×1 | = | 4 |
| *Q. No.* ***3*** *carries* ***4*** *marks each* ........................ | 4×1 | = | 4 |
| *Q. No.* ***4*** *carries* ***3*** *marks each* ........................ | 3×3 | = | 9 |
| *Q. No.* ***5*** *carries* ***1*** *mark each* ........................ | 1×3 | = | 3 |
| *Q. No.* ***6*** *carries* ***6*** *marks each* ........................ | 6×1 | = | 6 |
| *Q. No.* ***7*** *carries* ***3*** *marks each* ........................ | 3×2 | = | 6 |
| *Q. No.* ***8*** *carries* ***8*** *marks each* ........................ | 8×1 | = | 8 |
| *Q. No.* ***9A*** *carries* ***2*** *marks each* ........................ | 2×1 | = | 2 |
| *Q. No.* ***9B*** *carries* ***3*** *marks each* ........................ | 3×1 | = | 3 |
| *Q. No.* ***9C*** *carries* ***3*** *marks each* ........................ | 3×1 | = | 3 |
| *Q. No.* ***10*** *carries* ***4*** *marks each* ........................ | 4×1 | = | 4 |
| *Q. No.* ***11*** *carries* ***5*** *marks each* ........................ | 5×1 | = | 5 |
| *Q. No.* ***12A*** *carries* ***1*** *marks each* ........................ | 1×1 | = | 1 |
| *Q. No.* ***12B*** *carries* ***2*** *mark each* ........................ | 2×1 | = | 2 |
| *Q. No.* ***12C*** *carries* ***2*** *marks each* ........................ | 2×1 | = | 2 |
| *Q. No.* ***13*** *carries* ***6*** *marks each* ........................ | 6×1 | = | 6 |
| *Q. No.* ***14*** *carries* ***4*** *marks each* ........................ | 4×1 | = | 4 |
| *Q. No.* ***15*** *carries* ***6*** *marks each* ........................ | 6×1 | = | 6 |
| *Q. No.* ***16 A*** *carries* ***3*** *marks each* ........................ | 3×1 | = | 3 |
| *Q. No.* ***16 B*** *carries* ***1*** *mark each* ........................ | 1×1 | = | 1 |
| *Q. No.* ***17*** *carries* ***6*** *marks each* ........................ | 6×1 | = | 6 |
| *Q. No.* ***18*** *carries* ***6*** *marks each* ........................ | 6×1 | = | 6 |
| *Q. No.* ***19*** *carries* ***1*** *mark each* ........................ | 1×3 | = | 3 |
| | Total | = | 100 |

*Contd.*

১। চমু উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) মূষলধাৰে মেঘে বৰষিলেও অকণো পীড়া কোনে অনুভৱ নকৰে?

(খ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম লিখাঁ।

(গ) "ই যে .................. লাঞ্ছিত হোৱা ভয়াবহ ইতিহাস" *(খালী ঠাই পূৰ কৰাঁ)*

(ঘ) 'মোৰ গাঁও' কবিতাটিত উল্লেখ থকা নদীখনৰ নাম কি?

(ঙ) 'ময়াপী' শব্দৰ অৰ্থ লিখাঁ।

২। (ক) 'কাঞ্চনজঙ্ঘাৰ বুৰঞ্জী' কবিতাটিৰ প্ৰথম অংশত কাঞ্চনজঙ্ঘাৰ সৌন্দৰ্য কেনেদৰে উদ্ভাসিত হৈছে চমুকৈ লিখাঁ। ৪

*অথবা*

(খ) 'মোৰ গাঁও' কবিতাটিত 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাঙ্গৰণ' স্বৰূপ নিজ গাঁওখনৰ অৰক্ষয়িত ৰূপটো দেখি কবিৰ মনত কেনে ভাবৰ উদয় হৈছে লিখাঁ। ৪

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ১+৩=৪

(ক) প্ৰশংসন্ত কৃষ্ণে বাৰিযাৰ শ্ৰীক চাই।
উপকাৰী প্ৰাণীৰ ইহাত পৰে নাই।।

(খ) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।



(গ) ই যে হীনতা-নীচতা, ভীৰুতা-দীনতা জোকাৰি পেলোৱা ভাব,
ই যে এক ৰূপ ৰসে, একে ৰঙে চঙে এক কৰি দিয়া ছাৱ।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×৩=৯

(ক) 'বৰ্ষা বৰ্ণন' কাব্যাংশত সন্নিৱিষ্ট *যিকোনো এটি* উপমাৰ ভিতৰুৱা ভাব বুজাই লিখাঁ।

(খ) ৰোমাণ্টিক কবিতাৰ *তিনিটা* বৈশিষ্ট্য লিখাঁ।

(গ) 'অগ্নি-বীণাৰ তান' বুলিলে কি বুজা?

(ঘ) কবিৰ মতে কমাৰফদিয়া গাঁওখন পূৰ্বতে কেনেধৰণৰ আছিল?

(ঙ) সীতানাথ ব্ৰহ্মচৌধুৰীয়ে ৰচনা কৰা *তিনিখন* কবিতাপুথিৰ নাম লিখাঁ।

৫। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) বুৰঞ্জীৰ দৌৰাত্ম্যৰ বুৰবুৰণি কাৰ ভাবৰ বুৰবুৰণিৰ নাম?

(খ) অসমীয়া বুৰঞ্জী কাৰ দান?

(গ) 'সৃজ্যম্যহম্' শব্দৰ অৰ্থ লিখাঁ।

(ঘ) সূৰ্য কি ৰাশিলৈ গ'লে কাতি বিহু হয়?

(ঙ) 'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ' পুস্তিকাখনৰ ৰচক কোন?

৬। (ক) ‘বুৰঞ্জীৰ দৌৰাত্ম্য’ পাঠটিত লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যংগাত্মক ভাবধাৰা কেনেদৰে প্ৰকাশ পাইছে চমুকৈ আলোচনা কৰা। ৬

*অথবা*

(খ) বিহুৰ উৎপত্তি সম্বন্ধে ভিন্নজনে আগবঢ়োৱা মন্তব্যসমূহ চমুকৈ আলোচনা কৰা। ৬

৭। তলত দিয়া *যিকোনো দুটাৰ* বিষয়ে চমুকৈ লিখা ঃ ৩×২=৬

(ক) ষড়দৰ্শন

(খ) জ্যোতিৰ্বিদ্যা

(গ) মাধৱদেৱৰ সাহিত্যিক অৱদান

(ঘ) বলীনাৰায়ণ বৰাৰ মতে গৰু বিহুৰ লোকাচাৰ

৮। (ক) ‘কপিলীপৰীয়া সাধু’ উপন্যাসত মহাত্মা গান্ধীৰ প্ৰসংগ কেনেদৰে উত্থাপিত হৈছে আলোচনা কৰা। ৮

*অথবা*

(খ) “১৯৩৪ চন। কপিলীৰ খং এইবাৰ খুব বেছি।”—কপিলী নদীৰ বানে সেই সময়ত কেনে ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল আলোচনা কৰা। ৮

৯। (ক) ‘মই সোঁতত উঠি অহা বিহফুল...মোৰ কোনো বুৰঞ্জী নাই...তুমি তাৰ গোসাঁনী...মহামায়া...” —‘বিহফুল’ আৰু ‘মহামায়া’ বুলি কাক কোৱা হৈছে? ২

(খ) বাটে বাটে ‘পচেচন’ত মানুহবোৰে গোৱা গানটো কি আছিল? ৩

(গ) বৃত্তি পৰীক্ষাৰ প্ৰথম দিনা ৰূপাইৰ কেনে অভিজ্ঞতা হৈছিল লিখা। ৩



১০। তলত দিয়া *যিকোনো এজনৰ* বিষয়ে চমুকৈ লিখা ঃ ৪

ধীৰচিং

চুধাংচু বাবু

ঔপন্যাসিক হিচাপে নৰকান্ত বৰুৱা

১১। (ক) ‘আমাৰ ছাৰ’ৰ প্ৰকৃত নাম কি? ছাত্ৰসমাজত তেওঁ ‘সাৰ্বজনীন ছাৰ’ হৈ উঠাৰ কাৰণসমূহ কি কি গল্পটিৰ আধাৰত লিখা। ১+৪=৫

*অথবা*

(খ) ‘হাতী’ গল্পটোৰ নামকৰণৰ তাৎপৰ্য লিখি হাতী আৰু মানুহৰ সংঘাত গল্পটোত কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰা। ৫

১২। (ক) মনোৰঞ্জনৰ উপনাম কি? ১

(খ) পদ্মেশ্বৰৰ গাত থকা এটা বেয়া গুণ আৰু এটা ভাল গুণ লিখা। ২

(গ) বলোৰাম মেধিয়ে কেতিয়া আৰু কিয় হাতীটো কিনি আনিছিল? ২

১৩। (ক) চুটিগল্পৰ বিশেষত্বসমূহ বিশ্লেষণ কৰি এটি টোকা যুগুত কৰা। ২+৪=৬

*অথবা*

(খ) উপন্যাস কাক বোলে? ঐতিহাসিক আৰু সামাজিক উপন্যাসৰ বিষয়ে চমুকৈ লিখা। ৬

১৪। তলৰ *যিকোনো এটাৰ* বিষয়ে চমুকৈ লিখাঁ ঃ 4

(ক) উপন্যাসৰ চৰিত্ৰ

(খ) চুটিগল্পৰ আংগিক

(গ) উপন্যাস আৰু চুটিগল্পৰ মাজত পৰিলক্ষিত দুটি পাৰ্থক্য

১৫। (ক) শব্দালংকাৰ কাক বোলে? ই কেইবিধ আৰু কি কি? তাৰে *যিকোনো এবিধৰ* বিষয়ে উদাহৰণসহ লিখাঁ। ১+২+৩=৬

*অথবা*

(খ) অৰ্থালংকাৰ কাক বোলে? উদাহৰণসহ *দুবিধ* অৰ্থালংকাৰৰ বিষয়ে লিখাঁ। ৬

১৬। (ক) কাব্যত অলংকাৰে কেনে ভূমিকা পালন কৰে চমুকৈ লিখাঁ। ৩

(খ) সংস্কৃত কি শব্দৰপৰা 'অলংকাৰ' শব্দটো উৎপত্তি হৈছে? ১

১৭। 'জোনাকী' যুগৰ *যিকোনো এগৰাকী* ঔপন্যাসিকৰ ইতিহাস আধাৰিত উপন্যাসৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৮। 'আৱাহন' যুগৰ *যিকোনো এগৰাকী* গল্পলেখকৰ চুটিগল্পৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৬



১৯। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) মানৱ আক্ৰমণৰ পটভূমিত ৰচিত এখন অসমীয়া উপন্যাসৰ নাম লিখাঁ।

(খ) 'পদুম কুঁৱৰী' উপন্যাসৰ ৰচক কোন?

(গ) 'আৱাহন' যুগৰ এগৰাকী গল্পকাৰৰ নাম লিখাঁ।

(ঘ) 'জোনাকী' আলোচনীত প্ৰকাশিত গল্পৰ এটি বৈশিষ্ট্য লিখাঁ।

———×———